Total No. of Printed Pages—8

**X/15/AS**

**2015**

# ASSAMESE

( INDIAN LANGUAGE )

**( CANDIDATES WITH INTERNAL ASSESSMENT )**

*Full Marks* : 80
*Pass Marks* : 24

**( CANDIDATES WITHOUT INTERNAL ASSESSMENT )**

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

( For Both Categories of Candidates )

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

(iii) Question Nos. **1** to **18** are to be answered by both Regular and Private Candidates.

(iv) Question Nos. **19**, **20**, **21**, **22**, **23** and **24** are to be answered by Private Candidates without Internal only.

( গদ্য ভাগ )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ *এটা* বাক্য বা শব্দৰে দিয়া : ১×৪=৪

(ক) এটা জাতিৰ জাতীয় বিশেষত্বৰ প্ৰাণস্বৰূপ কি?

(খ) তক্ষশীলা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা দুজন প্ৰখ্যাত ছাত্ৰৰ নাম লিখা।

(গ) অসমৰ অতীজৰ অধিবাসীসকল কি গোষ্ঠীৰ লোক আছিল?

(ঘ) কোনে, কি ভাষাৰ পৰা বাইবেল পুথি অনুবাদ কৰিছিল?

২। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) —— অনুষ্ঠানটোও ঠিক শংকৰদেৱৰ সময়ৰ পৰাই অসমত প্ৰচলিত হয়।

(খ) সেই পুথিভঁৰালটো ন-তলীয়া আছিল আৰু তাৰ নাম আছিল ——।

(গ) বৃটিছ আহিল —— সন্ধিৰ পাচত।

৩। তলৰ যি কোনো **দুটা** বিষয়ৰ ওপৰত চমু টোকা লিখা : ২×২=৪

কেৰলীয়া ভকত ; পাণিনি ; বৰ্ণাশ্ৰম ; জন উইক্লিফ।

৪। তলত দিয়া যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) "এইসকলো লগলাগি বৃহৎ অসমীয়া জাতি গঢ়ি উঠিল।" কথাষাৰ ব্যাখ্যা কৰি অসমৰ জনগোষ্ঠীৰ বৈচিত্ৰ্যৰ কথা বহলাই লিখা।

(খ) ভিন্ ভিন্ সম্প্ৰদায়ৰ প্ৰতি শংকৰদেৱৰ কেনে মনোভাৱ আছিল? শংকৰদেৱ সাংসাৰিকভাৱে কেনেকুৱা ব্যক্তি আছিল? কি কথাৰ পৰা তেওঁৰ ধৰ্মত কোনো আঁহ-ফলা নীতি নাই বুলি বুজিব পাৰি?

(গ) প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ চমু পৰিচয় দি ইয়াত কি কি বিষয়ৰ শিক্ষা দিয়া হৈছিল, বহলাই লিখা।

**( পদ্য ভাগ )**

৫। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ *এটা* বাক্য বা শব্দৰে দিয়া : ১×৪=৪

(ক) মাধৱদেৱে ৰচনা কৰা দাৰ্শনিক তত্ত্বমূলক গ্ৰন্থখনৰ নাম কি?

(খ) ৰঘুনাথ চৌধাৰী কি কবি হিচাপে খ্যাত?

(গ) বৰগীতসমূহ কোনে ৰচনা কৰিছিল?

(ঘ) "জৰ্জৰিত কৰে তনু সংসাৰ-পোৰণি"
এই 'সংসাৰ-পোৰণি' কি?

৬। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) শুনাহে এবাৰ পখী অভাগাৰ বাণী,
নালাগে —— সুখ নকৰো মনত দুখ,
তোমাৰ লগতে উৰি যাওঁ বিহংগিনী।

(খ) মোৰ জীৱনৰ আঁহে আঁহে,
মোৰ যৌৱনৰ কোঁহে কোঁহে সেই সপোনৰ ——।

(গ) আতি —— জানি যুৱাকালে নুপজিলো
বৃদ্ধকালে পুত্ৰ ভৈলো এথা।

৭। তলত দিয়া যি কোনো **এটা** কবিতাৰ সাৰাংশ লিখা : ৩

(ক) গোৱাহে এবাৰ মোৰ প্ৰিয় বিহংগিনী

(খ) বৰগীত

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) ‘‘যাহাৰ মায়াৰ অন্ত ব্ৰহ্ম’ হৰে নাপাৰন্ত
হেন হৰি চাতুৰী খেলায়।’’

কোনে, কাৰ কথা কৈছে, সকলো আঁতি-গুৰি মাৰি সেই চাতুৰী খেলাৰ এটি বৰ্ণনা দিয়া।

(খ) ‘‘অনৈক্যৰ মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ
সম্ভাৱনা হৈ মই আছোঁ।’’

ইয়াত কবিয়ে অনৈক্যৰ মাজত ঐক্য হৈ থকা বুলি কিয় কৈছে, বুজাই লিখা।

**( দ্ৰুত পাঠ্য )**

৯। তলত দিয়া শব্দকেইটাৰ অৰ্থ লিখা (যি কোনো **চাৰিটা**) : ১×৪=৪

মাৰ-নাও ; ধেনুভিৰীয়া ; একাকাৰ ; শয্যাশায়ী ; খদমদম্ ; সম্ভাৰ ; ফিচিঙা-ফিচিং ; থান-থিত।

১০। চমু টোকা লিখা (যি কোনো **দুটা**) : ২×২=৪

খুটি বৰশী ; স্কুলীয়া ল’ৰা থকা জুপুৰি ; উদয় ; দীঘলী বাই।

১১। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) হাইস্কুলৰ জীৱনত লেখক ভবেন্দ্ৰনাথ শইকীয়াৰ লিখা-মেলাৰ (সাহিত্য-কৰ্মৰ) দিশটোত কেনেকৈ ক্ৰমবিকাশ ঘটিছিল, তাৰ বৰ্ণনা দিয়া।

(খ) ভীমৰ গাঁও নামৰ গাঁওখনৰ এটা বৰ্ণনা দিয়া।

**( ব্যাকৰণ ভাগ )**

১২। তলত উল্লেখ কৰা পদবোৰৰ প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

নাৱৰীয়া ; সাহিয়াল ; পুৰুষালি ; কৃপালু ; কামিলা ; ঘৰচীয়া ; খন্তেকীয়া।

১৩। সন্ধি ভাঙা আৰু যোৰা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

সিংহাসন ; পৰীক্ষা ; নয়ন ; মহা + ইন্দ্ৰ ; নৰ + উত্তম ; অনু + এষণ।

১৪। তলৰ যি কোনো **পাঁচটা** জতুৱা ঠাঁচৰ অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰা : ১×৫=৫

নপতা-ফুকন ; আলাসৰ লাড়ু ; হাত-লৰ ; আটোমটোকাৰি ; বিনা মেঘে বজ্ৰপাত ; চকুচৰহা ; বাপতি-সাহোন ; হাতত সাৰে ভৰিত সাৰে ; আপুৰুগীয়া।

১৫। এটা শব্দত প্ৰকাশ কৰা : ১×৬=৬

(ক) ধান থোৱা ঘৰ

(খ) যি পৰৰ ঠাইত বাস কৰে

(গ) য'ত বেছি গৰমো নহয় ঠাণ্ডাও নহয়

(ঘ) যি মাটি ফুটি ওলায়

(ঙ) মাকৰ ভনীয়েক

(চ) বৰষুণ নোহোৱা বতৰ

১৬। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৪

(ক) হৰিণাৰ মাংসই বৈৰী।

(খ) ৰাইজে নখ জোকাৰিলে নৈ বয়।

(গ) দেশতকৈ মোমাই ডাঙৰ নহয়।

(ঘ) চোৰ গ'লে বুদ্ধি বৰযুণ গ'লে জাপি।

১৭। তোমাৰ ভৱিষ্যৎ জীৱনৰ পৰিকল্পনাৰ বিষয়ে জনাই তোমাৰ এগৰাকী বন্ধু বা বান্ধৱীলৈ এখন চিঠি লিখা। ৫

১৮। তলৰ যি কোনো **এটা** বিষয় বাচি লৈ এখন ৰচনা লিখা : ১০

(ক) এজনা মহাপুৰুষৰ জীৱনী

(খ) প্ৰাকৃতিক দুৰ্যোগ আৰু ইয়াৰ প্ৰতিকাৰ

(গ) দূৰদৰ্শন : ইয়াৰ ভাল আৰু বেয়া প্ৰভাৱ

(ঘ) তোমাৰ জীৱনৰ লক্ষ্য

**( For Private Candidates only )**

১৯। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ দিয়া : ১×৪=৪

(ক) মৈমনসিংসকল কোন ঠাইৰ পৰা অসমলৈ আহিছিল ?

(খ) নাগাৰ্জুন কোন আছিল ?

(গ) মাধৱদেৱৰ জন্মস্থানখনৰ নাম কি ?

(ঘ) নিমাখিত শব্দৰ অৰ্থ কি ?

২০। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৩=৩

(ক) বিচ্ছিন্নতাকামীৰ প্ৰথম —— বিফল হ'ল।

(খ) ভাওনা —— ৰ এটা বিশিষ্ট জাতীয় অনুষ্ঠান।

(গ) কহয় —— প্ৰভু আৰ কিছু নুবুলিয়ো
তোমাৰ জননী দুখ পায়।

২১। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) সমাজ সংগঠনৰ বাবে শংকৰদেৱে কি কি কৰিছিল, বহলাই লিখা।

(খ) "আলো মাই গালি তুমি নাপাৰিয়ো মোৰে"
এই কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছে, বুজাই লিখা।

২২। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) ভবেন্দ্ৰনাথ শইকীয়াৰ ছবি আঁকিবলৈ কিয় হেঁপাহ হৈছিল? তেওঁ কেনেধৰণৰ, কি কি ছবি আঁকিছিল?

(খ) তলৰ যি কোনো **এটাৰ** চমু টোকা লিখা :

ৰেজিবুদ্দিন আহমেদ ; খনাজান ; পাংখাৱালা।

২৩। সূত্ৰ লিখি উদাহৰণ দিয়া (যি কোনো **দুটা**) : ২×২=৪

বহুব্ৰীহি সমাস ; স্বৰসন্ধি ; স্ত্ৰী-প্ৰত্যয় ; সম্প্ৰদান কাৰক।

২৪। লিংগ পৰিৱৰ্তন কৰা (যি কোনো **দুটা**) : ১×২=২

ৰজা ; কইনা ; ল'ৰা ; শালিকী ; বন্ধু।

★★★